# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 03-SEP-2026
**Time :** 1845 PM

## *Assamese Evening Bulletin*
### Headlines
:::::::::::::::::::

১।	লাচিত বৰফুকন পুলিচ একাডেমীক ৰাষ্ট্ৰীয় মানৰ অত্যাধুনিক প্ৰশিক্ষণ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২।	যক্ষ্মামুক্ত অসম গঢ়াৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গুৱাহাটীত আয়োজিত ৰাজ্যিক পৰ্যায়ৰ প্ৰশিক্ষণৰ সামৰণি।

৩।	ৰাইজৰ দলৰ সৈতে কংগ্ৰেছ্ দলৰ ৰাজনৈতিক মিত্ৰতা আনুষ্ঠানিকভাৱে ভংগ।

৪।	মুছলপুৰত আজি বিজেপি আৰু বিপিএফ দলৰ গুৰুত্বপূৰ্ণ বৈঠক।

**আৰু**

৫।	অৰ্জুন বঁটাৰে সন্মানিত ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ৰাজ্যজুৰি অভিৰুচি ক্ৰীড়া দিৱস পালন।

০০০০০

দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ প্ৰতিখন জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলৰ সন্মিলনত অংশগ্ৰহণ কৰে। দুদিনীয়া কাৰ্যসূচীৰে জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ এই সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিং আৰু ৰাজ্য চৰকাৰৰ মুখ্য সচিব ৰবি কোটা উপস্থিত থাকে। আৰক্ষী সন্মিলনত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংবাদমাধ্যমক সম্বোধন কৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কথা অৱগত কৰে। অসম আৰক্ষীত নতুনকৈ দুটা বেটেলিয়ন গঠন কৰা হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী আৰু শোধনাগাৰ আৰু তৈলক্ষেত্ৰ সুৰক্ষাৰ বাবেও এটা বিশেষ বেটেলিয়ন গঠন কৰা হ'ব বুলি উল্লেখ কৰে। লাচিত বৰফুকন একাডেমীক কম সময়ৰ ভিতৰতে পূৰ্ণাংগ ৰূপ দিয়াৰ লগতে এই একাডেমীখনক ৰাষ্ট্ৰীয় মানৰ অত্যাধুনিক প্ৰশিক্ষণ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰে। অসম আৰক্ষীৰ খালী থকা পাঁচ হাজাৰৰো অধিক পদত নিযুক্তি দিয়া হ'ব বুলি সংবাদমেলত প্ৰকাশ কৰে।

(বাইট ঃ ড০ শৰ্মা)

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি লাচিত বৰফুকন পুলিচ একাডেমীৰ চৌহদত আন্তঃগাঁথনিৰ উন্নয়নমূলক কামকাজৰ অগ্ৰগতিৰো পৰ্যালোচনা কৰে। ড০ শৰ্মাই একাডেমীখনৰ নিৰ্মাণকাৰ্য খৰতকীয়া কৰাৰ নিৰ্দেশ দিয়ে। তেওঁ লগতে ৰাজ্যৰ আৰক্ষী থানা, বেটেলিয়ন আৰু চাৰিখন জিলাৰ আদৰ্শ আৰক্ষী চাউনিৰ আবাসীক প্ৰকল্প তথা নৱগঠিত **স্মাৰ্ট ৰেছপন্স ইউনিট**ৰ কামকাজৰ বুজ লয়।

০০০০০

যক্ষ্মামুক্ত অসম গঢ়াৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে অসম ৰাজ্যিক যক্ষ্মা বিভাগে গুৱাহাটীত অনুষ্ঠিত কৰা দুদিনীয়া ৰাজ্যিক পৰ্যায়ৰ প্ৰশিক্ষণৰ আজি সামৰণি পৰে। ৰাজ্যৰ বিভিন্ন জিলাৰ স্বাস্থ্যকৰ্মীসকলে অংশগ্ৰহণ কৰা এই প্ৰশিক্ষণত ক্ষেত্ৰ পৰ্যায়ৰ কাম-কাজসমূহ সুচাৰুৰূপে সম্পন্ন কৰা আৰু স্বাস্থ্য সেৱা ব্যৱস্থাক অধিক ফলপ্ৰসূ কৰি তোলাৰ দিশত প্ৰশিক্ষণ প্ৰদান কৰা হয়। প্ৰশিক্ষণত গুৰুত্বপূৰ্ণ চিকিৎসা সম্পৰ্কীয় নতুন তথ্য আৰু নিৰ্দেশনাসমূহ প্ৰদান কৰা হয়। ৰাজ্যিক যক্ষ্মা বিষয়া, ৰাজ্যিক ৰাষ্ট্ৰীয় যক্ষ্মা নিৰ্মূল কাৰ্যসূচীৰ বিষয়া, বিশ্ব স্বাস্থ্য সংস্থাৰ পৰামৰ্শদাতা আৰু ৰাজ্যিক মুখ্য কাৰ্যালয়ৰ অংশীদাৰসকলে এই প্ৰশিক্ষণ কাৰ্যসূচীত অংশ লৈ বিভিন্ন বিষয়ত বিশদভাৱে আলোচনা কৰে। বিশেষকৈ প্ৰাৰম্ভিক অৱস্থাত যক্ষ্মা ৰোগ চিনাক্তকৰণৰ বাবে নতুন পদ্ধতি প্ৰয়োগ, উন্নত মানৰ চিকিৎসা পদ্ধতি, তৃণমূল পৰ্যায়ৰ ৰোগীৰ যতন আৰু চৰকাৰী-বেচৰকাৰী সংস্থাৰ সহযোগিতা সন্দৰ্ভত আলোচনা কৰা হয়। কাৰ্যসূচীত অংশ লৈ ৰাজ্যৰ ভাৰপ্ৰাপ্ত স্বাস্থ্য সেৱা সঞ্চালক ডাঃ প্ৰদীপ কুমাৰ দাসে কয় যে যক্ষ্মা ৰোগৰ চিকিৎসা লাভৰ ক্ষেত্ৰত থকা বাধাসমূহ দূৰ কৰাৰ বাবে জিলা পৰ্যায়ত শক্তিশালী আৰু সক্ৰিয় নেতৃত্বৰ অত্যন্ত প্ৰয়োজন। জনসাধাৰণৰ মাজত যক্ষ্মা নিৰ্মূলৰ বাবে সংশোধিত নিৰ্দেশনাসমূহ সুচাৰুৰূপে ৰূপায়ণ কৰিবলৈ তেওঁ বিষয়াসকলক আহ্বান জনায়।

০০০০০

ভাৰতৰত্ন সন্মানেৰে সন্মানিত ড০ ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবাৰ্ষিকী উদযাপনৰ সামৰণি অনুষ্ঠান অহা ৮ ছেপ্তেম্বৰত নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত গায়ক, গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক তথা অসমীয়া সংস্কৃতিৰ মহীৰূহ ড০ ভূপেন হাজৰিকাৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ অমৰ সৃষ্টি, মানৱতাবাদ আৰু সাংস্কৃতিক ঐক্যৰ বাৰ্তা দেশজুৰি প্ৰচাৰ কৰা হ'ব। বিগত বৰ্ষৰ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীত শুভাৰম্ভ কৰা এই বছৰজোৰা অনুষ্ঠানৰ অংশ হিচাপে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভিন ভিন কাৰ্যসূচী অনুষ্ঠিত কৰি অহা হৈছে। সুধাকণ্ঠৰ জন্মশতবৰ্ষৰ সৈতে সংগতি ৰাখি এয়া আমাৰ বিশেষ প্ৰতিবেদন -

০০০০০

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ অহা দেওবাৰে দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীলৈ আহিব। উপ-ৰাষ্ট্ৰপতি গৰাকীৰ অসম ভ্ৰমণক কেন্দ্ৰ কৰি আজি কামৰূপ মহানগৰ জিলা আয়ুক্ত স্বপ্নীল পালৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। ৰূপনগৰত আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত বৈঠকত জিলা আয়ুক্তগৰাকীয়ে সংশ্লিষ্ট বিভাগসমূহক নিজ নিজ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ আহ্বান জনায়। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত, যান-বাহন শাখাৰ উপ-আৰক্ষী আয়ুক্ত, নিউ গুৱাহাটী সমজিলা আয়ুক্ত, জালুকবাৰী সমজিলা আয়ুক্ত আৰু দিছপুৰ সমজিলা আয়ুক্তকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে। উল্লেখযোগ্য যে উপ ৰাষ্ট্ৰপতিগৰাকীয়ে অহা দেওবাৰে পুৱা চাৰে ১০ বজাত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ এটা অনুষ্ঠানত অংশ ল'ব। সেইদিনাই বিয়লি ৩ বাজি ১৫ মিনিটত তেওঁ খানাপাৰাৰ জ্যোতি বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত এটা অনুষ্ঠানত ভাগ ল'ব। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে নিশা গুৱাহাটীত কটাব আৰু সোমবাৰে গুৱাহাটী বিশ্ববিদ্যালয়ত হ'বলগীয়া এটা অনুষ্ঠানত অংশ ল'ব।

০০০০০

কংগ্ৰেছ দলে ৰাইজৰ দলৰ সৈতে থকা সকলো ধৰণৰ ৰাজনৈতিক মিত্ৰতা আনুষ্ঠানিকভাৱে ভংগ কৰাৰ কথা ঘোষণা কৰিছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈৰ নিৰ্দেশক্ৰমে তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই সন্দৰ্ভত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাংগঠনিক সাধাৰণ সম্পাদক ৰামান্না বৰুৱাৰ স্বাক্ষৰ সম্বলিত এই দলীয় নিৰ্দেশনা আনুষ্ঠানিকভাৱে জাৰি কৰা হয়।

নিৰ্দেশনাত উল্লেখ কৰা অনুসৰি বিগত লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ পূৰ্বে ঐক্যবদ্ধ হৈ যুঁজ দিয়া আৰু ৰাইজৰ মাজলৈ এটা স্পষ্ট বাৰ্তা প্ৰেৰণ কৰাৰ লক্ষ্যৰে কংগ্ৰেছে ৰাইজৰ দলসহ কেইবাটাও আঞ্চলিক আৰু বাওপন্থী সৰ্বভাৰতীয় দলক একত্ৰিত কৰি নিৰ্বাচনী মিত্ৰজোঁট গঠন কৰিছিল। কিন্তু দীৰ্ঘ সময়ছোৱাত ৰাইজৰ দলৰ নেতৃত্বই মিত্ৰজোঁটৰ নীতি-নিয়ম আৰু মৰ্যাদা উলংঘা কৰি কংগ্ৰেছ দলৰ বিৰুদ্ধে ভুৱা অপপ্ৰচাৰত লিপ্ত হৈ পৰা বুলি নিৰ্দেশনাটোত

উল্লেখ কৰা হৈছে। মিত্ৰজোঁটৰ নীতিবিৰোধী আচৰণৰ পৰিপ্ৰেক্ষিতত ৰাইজৰ দলৰ সৈতে ভৱিষ্যতে ৰাজনৈতিক সম্পৰ্ক বাহাল ৰখাটো সম্ভৱপৰ নহয় বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

০০০০০

বাক্সা জিলাৰ সদৰ মুছলপুৰত আজি জিলা সাংস্কৃতিক প্ৰকল্প প্ৰেক্ষাগৃহত বিজেপি আৰু বিপিএফ দলৰ মাজত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত বিটিচিৰ উন্নয়নৰ লগতে বিভিন্ন উন্নয়নমূলক আঁচনি বিজেপি দলৰ কৰ্মকৰ্তাৰ সৈতে আলোচনা কৰি বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে ৰাইজৰ ওচৰলৈ নিয়াৰ কথা সদৰি কৰে। শ্ৰীমহিলাৰীয়ে বিটিচিৰ উপ-নিৰ্বাচনত বিজেপিৰ দখলত  থকা সমষ্টিত বিজেপিৰ প্ৰাৰ্থী থাকিব বুলি মন্তব্য কৰে। ইফালে, ইউ পি পি এলে, বি পি এফৰ চিণ্ডিকেট আৰু অৰুণোদয় আঁচনিত দুৰ্নীতি হোৱা বুলি কৰা অভিযোগ হাগ্ৰামা মহিলাৰীয়ে খণ্ডন কৰে। বৈঠকত বিজেপি দলৰ বাক্সা জিলা সমিতিৰ সভাপতি, সম্পাদকৰ লগতে বিজেপি-বিপিএফৰ কেইবাজনো জ্যেষ্ঠ নেতা উপস্থিত থাকে। বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ আগত বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীযে এইদৰে কয়-

বাইট (হাগ্ৰামা)

০০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত প্ৰবাসী অসমীয়া পৰীক্ষিত শৰ্মাৰ সাক্ষ্য গ্ৰহণ আৰু জেৰা প্ৰক্ৰিয়া সম্পূৰ্ণ হয়। সাক্ষ্য প্ৰদান আৰু জেৰা প্ৰক্ৰিয়াৰ অন্তত সংবাদ মাধ্যমৰ আগত শ্ৰীশৰ্মাই কয় যে তেওঁৰ সাক্ষ্যই যদি জুবিন গাৰ্গক ন্যায় প্ৰদানৰ ক্ষেত্ৰত ৫ শতাংশও সহায় কৰে তেন্তে তেওঁ ধন্য হ'ব। ১৯ ছেপ্তেম্বৰত য়টত প্ৰকৃততে কি হৈছিল, জুবিন গাৰ্গে সময়মতে চিকিৎসা পাইছিল নে নাই বুলি সংবাদ মাধ্যমে সোধা কেইবাটাও প্ৰশ্নৰ উত্তৰ দিয়াৰ পৰা শ্ৰীশৰ্মা বিৰত থাকে।

উল্লেখযোগ্য যে বিগত বৰ্ষৰ ১৯ ছেপ্তেম্বৰত ছিংগাপুৰৰ সাগৰত সাঁতুৰি থকাৰ সময়ত শিল্পী জুবিন গাৰ্গৰ মৃত্যু হৈছিল। শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ নেতৃত্বত গঠিত ফাষ্ট ট্ৰেক আদালতত সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া চলি আছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত অহা ৫ ছেপ্তেম্বৰ, শনিবাৰে নিশা ৮ বাজি দুই মিনিটত উচ্চ শিক্ষা শিতানত কৃতি শিক্ষকৰ ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণ সংযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপক তথা লেখক ড০ অংকুৰণ দত্তৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব জিণ্টী ৰাণী ডেকাই।

০০০০০

অসম প্ৰকাশন পৰিষদে গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন চহৰত চলিত বৰ্ষত আয়োজন কৰিবলগীয়া গ্ৰন্থ মেলাৰ প্ৰথমখন সময়সূচী ঘোষণা কৰিছে। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই জনোৱা অনুসৰি অহা ১৩ৰ পৰা ২২ নৱেম্বৰলৈ যোৰহাট জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত ১০-দিনীয়াকৈ অসম গ্ৰন্থমেলাৰ আয়োজন কৰা হ'ব। ইপিনে, খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত অহা ২৪ ডিচেম্বৰৰ পৰা ৬ জানুৱাৰীলৈ ১৪-দিনীয়া কাৰ্যসূচীৰে অসম গ্ৰন্থমেলাৰ আয়োজন কৰা হ'ব। পূৰ্বৰ দৰেই এইবাৰৰ গ্ৰন্থমেলাত নবীন-প্ৰবীণ পঢ়ুৱৈসকলক সাহিত্য চৰ্চাৰ বাবে আগ্ৰহী কৰি তুলিব পৰাকৈ বিভিন্ন পৰিকল্পনা কৰা হৈছে বুলি শ্ৰীকলিতাই জানিবলৈ দিয়ে। ইতিমধ্যে গ্ৰন্থমেলালৈ আমন্ত্ৰণৰ বাবে দেশৰ কেইবাগৰাকীও বিশিষ্ট লেখক-সাহিত্যিকৰ সৈতে যোগাযোগ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

ৰাজ্যৰ অন্যান্য স্থানত আয়োজন কৰিবলগীয়া গ্ৰন্থমেলাৰ সময়সূচী পৰৱৰ্তী সময়ত ঘোষণা কৰা হ'ব বুলি সচিবগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

অৰ্জুন বঁটাৰে সন্মানিত প্ৰথম অসমীয়া ক্ৰীড়াবিদ ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে আজি ৰাজ্যজুৰি অভিৰুচি ক্ৰীড়া দিৱস পালন কৰা হয়। ১৯৬৬ চনৰ এছিয়ান গেম্‌ছত স্বৰ্ণ পদক অৰ্জনেৰে ইতিহাস ৰচা প্ৰসিদ্ধ ক্ৰীড়াবিদগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়।

এই উপলক্ষে গুৱাহাটীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত ৪৩ সংখ্যক অভিৰুচি ক্ৰীড়া দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত পুৱা সামুহিক দৌৰ অনুষ্ঠিত হয়। ক্ৰীড়া মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, একালৰ তাৰকা খেলুৱৈ তৈবুন নেচা, অভিনেতা যতীন বৰাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে এই সামুহিক দৌৰত অংশগ্ৰহণ কৰে।

অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে আজি শিৱসাগৰৰ জয়সাগৰস্থিত বাসগৃহত উপস্থিত হৈ খেলুৱৈগৰাকীক সম্বৰ্ধনা জনায়। শিল্পী দিগন্ত মাধৱ গোস্বামীয়ে খেলুৱৈগৰাকীৰ পদচিহ্ন সংগ্ৰহ কৰে। ৰাজ্য চৰকাৰে জন্মদিন উপলক্ষে ভোগেশ্বৰ বৰুৱালৈ ১ লাখ টকাৰ চেক আগবঢ়ায়। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী বৰুৱাই কয়, যে আমি সকলোৱে মিলি নতুন প্ৰজন্মক আগুৱাই নিব লাগিব।

অভিৰুচি ক্ৰীড়া দিৱসৰ দ্বিতীয় দিনা, নবীন চন্দ্ৰ বৰদলৈ ইনড'ৰ ষ্টেডিয়ামত কাইলৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানতে বিয়লি চাৰে ৫ বজাত খেলুৱৈ আৰু ক্ৰীড়া সংগঠকক সম্বৰ্ধনা জনোৱা হ'ব।

০০০০০

সমাপ্ত